
# ক’ৰ’নাৰ দিনত ৰন্ধা ভাত এসাঁজ

ক'ভিড-১৯ সম্পৰ্কে ভাৰতীয় বিজ্ঞানীৰ প্ৰতিক্ৰিয়া
এটি স্বেচ্ছাসেৱী গোষ্ঠী

IndiSciCovid

https://indscicov.in/



Indian Scientists' Response to COVID-19

সন্ধিয়া সময়, মোৰ বৰকৈ ভোক লাগিছিল ।
"দেউতা, তুমি যে ৰান্ধা, সেই বিশেষ
মুৰ্গীমাংসৰ  আঞ্জাখন...আজিও ৰান্ধি দিবা নেকি,
অলপ মচলা দি জুতি লগাকৈ?" মই ক'লো।
মায়েও ক'লে, "মই ভাগৰি পৰিছোঁ, আজি
আপুনিয়েই আঞ্জাখন ৰান্ধকচোন।" "হ'ব দিয়া",
দেউতাই ক'লে আৰু তেওঁ চাবোনেৰে হাতখন
ধুবলৈ ল'লে। মই সময়ৰ হিচাপ ৰাখিবলৈ ২০
ৰপৰা ওলোটাকৈ গণিবলৈ আৰম্ভ কৰিলোঁ ।
মায়েও মোৰ লগত  সহযোগ কৰিলে। দেউতাই
আকৌ মজিয়াতে বহি পাচলি কাটিবলৈ ভাল পায়।
সিদিনা ৰাতিপুৱা ৰমেশ খুৰাই কেইখনমান
আলোচনী দিবলৈ আহি সেই ঠাইডোখৰতে
বহিছিল। দেউতাই পিছত এডোখৰ স্পঞ্জত চাবোন
অলপমান লৈ ঠাইডোখৰ ধুই দিয়া মোৰ মনত
আছে। তেওঁ তাত বহি লৈ মুৰ্গীমাংস আৰু
জলকীয়া কাটিবলৈ লৈছিল। মই ক'লো, "আৰু
অলপ জলকীয়া দি দিয়া" ।



"কেইটামান পিঁয়াজ কাটি দিবা নেকি বাৰু ?...", "নাই নাই...মোৰ চকুদুটা জলে", মই কলোঁ । তেওঁ তিনিটা পিঁয়াজ ধুই লৈ বাকলি এৰুৱাবলৈ ধৰিলে। ইতিমধ্যে সৰলা খুৰীদেউ আহি আমাৰ ঘৰৰ সমুখৰ দুৱাৰখনৰ বাহিৰত উপস্থিত হ'লহি আৰু মাক ক'লে,"জানানে, মোৰ ভনীজনীয়ে ইমান ভয় খাইছে যে পিঁয়াজ আৰু বিলাহীবোৰ চাবোন পানীৰে ধুইছে । গোটেই ঘৰখনে চাবোনযুক্ত খাদ্যই খালে।" কথাটো ভাবি মোৰ বৰকৈ হাঁহি উঠিল । মায়ে বুজাই দিলে, "তুমি জানানে, এই ভাইৰাছটোৱে খোৱা খাদ্যত তাৰ বংশ-বৃদ্ধি  কৰিব নোৱাৰে। কোনো কাৰণত খাদ্যৰ সংস্পৰ্শলৈ আহিলেও ৰন্ধাৰ সময়ত ই নষ্ট হৈ যায়। ই বেক্টেৰিয়াৰ দৰে নহয়।" কথাটো ময়ো জানোঁ । "এই পিঁয়াজবোৰ বজাৰৰ,  আৰু বহুতে ইয়াক চুইছে নহয় জানোঁ?", মই সুধিলোঁ । “হয়  সোণটি", মোলৈ হাঁহি চাই মায়ে ক'লে, "আৰু সেয়ে তোমাৰ ককাইদেৱে কালি বজাৰ কৰি অনাৰ পাছত এই পাচলিবোৰ মই ভালদৰে ধুইছোঁ আৰু হাতদুখনো ২০ ছেকেণ্ড সময় ধুই লৈছোঁ ।" আমি দুয়োজনে একেলগে ক'লোঁ । সৰলা খুৰীয়ে দেউতাই ৰান্ধি থকা  দেখি ক'লে, "অ', আপুনি দেখোন আজি মুৰ্গীমাংস ৰান্ধি আছে...




হোৱাটচাপত চোন পালোঁ যে ভাইৰাছটো হেনো জীৱ জন্তুৰপৰা আহে, ইয়াক খোৱাটো নিৰাপদ হ'বনে বাৰু ?", দেউতাই জোৰ দি ক'লে, "হয়, ই নিৰাপদ, এই ভাইৰাছটো কেৱল মানুহৰপৰা মানুহলৈহে সংক্ৰমিত হয়, সেয়ে আমিষ ভোজন সম্পূৰ্ণৰূপে নিৰাপদ, আনকি চিকিৎসক সকলেও তাকেই কৈছে" । "ভাগ্য ভাল" মনে মনে ভাবিলোঁ । জীয়েকে মাকক মাতিব ধৰোঁতে খৰধৰকৈ খুৰী নিজৰ ঘৰলৈ উভতি গ'লগৈ ।

তেতিয়াই শেখৰ দাদা দোকানৰ পৰা উভটি আহিল। মায়ে তাক বজাৰৰপৰা চাউল, দাইল আৰু মোলৈ ক্ৰীম বিস্কুট আনিবলৈ পঠিয়াইছিল । সি দুৱাৰৰ বাহিৰত থিয় হৈ কি কৰিব নকৰিব ভাবি আছিল । মায়ে হাঁহি হাঁহি ক'লে, "ইমান ভাবিব লগীয়া কি আছে, ৰৈ থাকচোন তাতে"। তেওঁ পাকঘৰলৈ গৈ ডাঙৰ ডাঙৰ চাউল আৰু দাইলৰ টেমাকেইটামান আনিলে আৰু লগতে এটা খালি টিন লৈ আহিল । এইবাৰ তেওঁ দাদাক প্লাষ্টিকৰ পেকেটবোৰ কাটি পোনে পোনে চাউল-দাইলবোৰ টেমাবোৰৰ ভিতৰত ঢালি থ'বলৈ ক'লে । লগতে ক'লে যাতে টেমাবোৰ সি হাতেৰে নুচুৱে আৰু ঢালোঁতে মজিয়াত যাতে একো নপৰে । মই লক্ষ্য কৰিলোঁ, মায়ে কোৱামতে সি খুউব সাৱধানে কামখিনি কৰিলে । একেদৰে সি বিস্কুটৰ পেকেট খুলি বিস্কুটবোৰো খালি টিনটোত ঢালি থ'লে । "মই পাৰিছোঁ", সি আনন্দতে চিঞৰি উঠিল, তাক দেখি আমাৰো হাঁহি উঠিল । মোৰ মনত পৰি গ'ল, ৰাতিপুৱা সৰলা খুৰীয়ে লৈ অনা আলুৰ আঞ্জাখিনিও ঠিক তেনেদৰেই মায়ে আমাৰ বাচনত ঢালি ৰাখিছিল ।



"এতিয়া এই প্লাষ্টিক আৰু কাগজবোৰৰ কি গতি হব?" দাদাই সুধিলে। মায়ে প্লাষ্টিকৰ মোনাত ভৰাই ডাষ্টবিনত পেলাই দিবলৈ ক'লে । ছেণ্ডেলযোৰ খুলি দাদা ঘৰৰ ভিতৰত সোমাল । মই মুখস্থ কৰাৰ দৰে মনত পেলাই দিলোঁ, "২০ ছেকেণ্ডৰ বাবে হাত ধুবা কিন্তু দেই", পাহৰি যায় বুলি দাদাৰ পিছে পিছে গ'লোঁ । তাৰ পিছত দাদাই পিন্ধা কাপোৰবোৰ সলাই-মেলি আহিল । ইতিমধ্যে দেউতা পাকঘৰলৈ গৈছে । বাচন-বৰ্তন, খন্তি, হেতা, আনকি ষ্টোভটোও চাবোন পানীৰে ধুই পৰিষ্কাৰ কৰি ৰাখিছিল দেউতাই । কিছুসময়ৰ পাছত মই জীৰা আৰু তেজপাতৰ ফোৰণৰ গোন্ধ পালোঁ । দেউতাই মুৰ্গীমাংসৰ টুকুৰাবোৰ কেৰাহীত দিলে আৰু মাৰ লগত কথা পাতিবলৈ ধৰিলে । মা তেতিয়া দূৰদৰ্শনৰ ধাৰাবাহিক এখন চোৱাত ব্যস্ত । "আমাৰ চুবুৰীয়া গিৰিণদাৰ কথা শুনিছানে ? কাহ চৰ্দিত ভুগি আছে আৰু যোৱা সপ্তাহত গাত জ্বৰো আছিল হেনো" । "কি কয় হে?... তেওঁলোকৰ ঘৰৰ সকলোৱে নিশ্চয় খুউব চিন্তিত হৈ আছে" । দাদাই সুধিলে, "আমি গৈ এবাৰ খবৰ লৈ আহোঁ নেকি?" মাই ক'লে, "নালাগে, তেওঁলোক এতিয়া কোৱাৰেন্টাইনত আছে" । মোৰ চিন্তা লাগি গ'ল, গিৰিণ খুৰাই এতিয়া পৰিয়ালৰ মানুহৰ লগত কেনেদৰে খোৱাবোৱা কৰিব । মাক সুধিলোঁ, "তেখেতকো ঘৰৰ মানুহে মুৰ্গীমাংস ৰান্ধি খুৱাব পাৰিবনে?", "কিয় নোৱাৰিব", মাই ক'লে, "সোণটি, তেওঁলোক মাত্ৰ খুউব সাৱধানে থাকিব লাগিব । তেওঁ নিজৰ কোঠাতেই থাকিব লাগিব, খোৱাবস্তু কোনোবাই আহি দি যাব লাগিব । খোৱাৰ পাছত বাচনবোৰ ভালদৰে ধুই দিব লাগিব" । মই মনে মনে ভাবিলোঁ, তেওঁ যেন সোনকালে আৰোগ্য হয়, কিয়নো তেওঁ মোক চিলা উৰুওৱা শিকাব বুলি কথা দিছিল।



"মোৰ ৰন্ধা হৈ গ'ল", দেউতাই ক'লে । দেউতাৰ কথামতে আমি সকলোৱে চাবোন পানীৰে হাত ধুই নিজৰ নিজৰ কাঁহীবোৰ লৈ আহিলোঁ। দেউতাই আমাৰ কাঁহীবোৰত ভাত আৰু আঞ্জা বাঢ়ি দিলে । মই সুধিলোঁ, "দেউতা, তুমি নোখোৱাঁ নেকি ?" "অকণমান ৰ'বিচোন" এইবুলি কৈ দেউতাই নাকটো খজুৱাব ধৰিলে । "আধাঘণ্টা ধৰি খজুৱাই আছিল, ৰান্ধি থকা বাবে খজুৱাব পৰা নাছিলোঁ, এতিয়াহে সুযোগ পাইছোঁ", দেউতাই যেন স্বস্তিৰ নিশ্বাস পেলালে । হাঁহি হাঁহি আমাৰ পেট বিষাই গ'ল । দেউতাই হাত ধুই আহি খাবলৈ বহিল । ইজনে সিজনৰপৰা কিছু দূৰৈত বহি আমি সকলোৱে খোৱা-বোৱা আৰম্ভ কৰিলোঁ । সিদিনা মুৰ্গীমাংসৰ আঞ্জাখনৰ জুতিয়েই আছিল বেলেগ !

তথ্যখিনিৰ প্ৰাসংগিকতা আৰু কেইটামান বিশেষ প্ৰেক্ষাপট উপস্থাপন কৰিবলৈ এই গল্পকেইটা উদাহৰণ হিচাপে তুলি ধৰা হৈছে । ইয়াৰ জৰিয়তে তথ্যখিনি এক সৰল ভাষাত বুজাবলৈ প্ৰয়াস কৰা হৈছে । বিশদ বিৱৰণ আৰু বিজ্ঞানভিত্তিক সত্যতা জানিবৰ বাবে ৱেবচাইটত উপলব্ধ নথি-পত্ৰখিনি অনুগ্ৰহ কৰি পঢ়ে যেন ।

